ASSEB -DIV-II / Golaghat /H.S 1st Year/Final

*Total No. of printed pages -10*

Code : POSC

SARUPATHAR COLLEGE LIBRARY
Date..........
SARUPATHAR

# 2026

# Political Science

*Full Marks : 80*

*Pass Marks : 24*

*Time : 3 Hours*

*The figures in the margin indicate full marks for the questions.*

**Allotment of Marks**

**Part - A**

Q.No.1 to 40 carry 1 mark each 1x40=40

**Part - B**

Q.No.41 carries 2 marks each 2x5=10
(Any five out of ten)

Q.No.42 carries 3 marks each 3x5=15
(Any five out of ten)

Q.No.43 carries 5 marks each 5x3=15
(Any three out of six)

Total= 80

Contd :

## Part- A

1. Two statements are given, one labelled as
Assertion (A) and the other labelled as Reason (R)
Read the statements carefully and choose the correct option.
দুটা বাক্য এটা দৃঢ়কৰণ (A) আৰু এটা কাৰণ (R) হিচাপে দিয়া হৈছে। দুয়োটা ভালদৰে পঢ়ি শুদ্ধ বিকল্পটো বাছি উলিওৱা।

Assertion (A) : Political Theory studies and explains political phenomena as well as make predictions about them.
দৃঢ়কৰণ (A) ঃ ৰাজনৈতিক তত্ত্বই ৰাজনৈতিক পৰিঘটনাৰ অধ্যয়ন, ব্যাখ্যাৰ লগতে ভৱিষ্যৎবাণী কৰিব পাৰে।
Reason (R) : Political Theory only encompasses moral aspects of events and phenomena
কাৰণ (R) ঃ ৰাজনৈতিক তত্ত্বই ঘটনা, পৰিঘটনাৰ কেৱল নৈতিক দিশটো সামৰি লয়।

(a) Both A and R is true and R is the correct explanation. (A আৰু R দুয়োটা শুদ্ধ আৰু R, A ৰ সঠিক ব্যাখ্যা

(b) Both A and R is true but R is not the correct explanation of A (A আৰু R দুয়োটা শুদ্ধ কিন্তু, R, A ৰ সঠিক ব্যাখ্যা নহয়)

(c) A is true but R is false (A শুদ্ধ কিন্তু R অশুদ্ধ)

(d) A is false but R is true (A অশুদ্ধ কিন্তু R শুদ্ধ)

2. Match the items of column A with Column B
ক অংশৰ লগত খ অংশ মিলোৱা।

| A (ক) | B (খ) |
|---|---|
| A) Plato প্লেটো | 1. On Liberty অন লিবাৰ্টি |
| B) Aristotle এৰিষ্টটল | 2. The Republic দি ৰিপাব্লিক |
| C) J.S. Mill জে. এছ. মিল | 3. Politics পলিটিক্স |
| D) Mahatma Gandhi মহাত্মা গান্ধী | 4. Hind Swaraj হিন্দ স্বৰাজ |

a) A-2, B-3, C-1, D-4
b) A-3, B-2, C-1, D-4
c) A-4, B-1, C-2, D-3
d) A-2, B-1, C-3, D-4

3. Consider the two Statements দুটা বিবৃত্তি বিবেচনা কৰা।
A – Political Theory systematically studies core values such as equality, liberty, rights etc.
ৰাজনৈতিক তত্ত্বই সমতা, স্বাধীনতা, অধিকাৰ আদি প্ৰমূল্যসমূহৰ প্ৰণালীবদ্ধ অধ্যয়ন কৰে।
B – Political Theory analyses at a higher level whether the prevailing interpretations of these values are appropriate or not.
ৰাজনৈতিক তত্ত্বই উচ্চ পৰ্যায়ত প্ৰমূল্যসমূহৰ প্ৰচলিত ব্যাখ্যাবোৰ উপযুক্ত হয় নে নহয় বিশ্লেষণ কৰে।

(a) Only A is correct কেৱল A সত্য
(b) Only B is correct কেৱল B সত্য
(c) Both A and B are correct A আৰু B দুয়োটাই সত্য
(d) Both A and B are incorrect A আৰু B দুয়োটাই অসত্য

4. The meaning of Negative Liberty
নেতিবাচক স্বতন্ত্ৰতাৰ অৰ্থ হৈছে—

(a) Absence of restraint or interference বাধা অথবা হস্তক্ষেপৰ অনুপস্থিতি
(b) Complete control by the state ৰাষ্ট্ৰৰ সম্পূৰ্ণ নিয়ন্ত্ৰণ
(c) Rule of Law আইনৰ শাসন

(d) Creation of special privilege বিশেষ সুবিধাৰ সৃষ্টি

5. He fought against Apartheid in South Africa and spent 28 years in prison. According to him, the ideal of freedom is to remove unreasonable restrictions and enjoy a free life irrespective of caste, race. Identify the person.

তেওঁ দক্ষিণ আফ্রিকাৰ প্ৰচলিত বৰ্ণ বৈষম্য নীতিৰ বিৰুদ্ধে সংগ্ৰাম কৰিছিল আৰু সুদীৰ্ঘ ২৮টা বছৰ কাৰাবাস খাটিছিল। তেওঁৰ মতে স্বাধীনতাৰ অযুক্তিকৰ বাধাসমূহ আঁতৰাই জাতি-বৰ্ণ নিৰ্বিশেষে মুক্ত জীৱন উপভোগ কৰাটোহে স্বাধীনতাৰ আদৰ্শ। ব্যক্তিজনক চিনাক্ত কৰা।

(a) Aung San Suu Kyi আং চান চ্যু কী
(b) Nelson Mendela নেলছন মেণ্ডেলা
(c) Abraham Lincoln আব্ৰাহাম লিংকন
(d) Subhas Chandra Bose সুভাষ চন্দ্ৰ বসু

6. —— Supports Free market, competitive economy and minimal role of state. Fill in the blanks

—— য়ে মুক্ত বজাৰ, প্ৰতিযোগিতাপূৰ্ণ অৰ্থনীতি আৰু ৰাষ্ট্ৰৰ ন্যূনতম ভূমিকা সমৰ্থন কৰে। খালী ঠাই পূৰণ কৰা।

(a) Liberalism উদাৰতাবাদ
(b) Marxism সাম্যবাদ
(c) Feminism নাৰীবাদ
(d) Socialism সমাজবাদ

7. 'The government has introduced a system of reservation in educational institutions to create educational opportunities for socially deprived and backward classess', people say that this violates the principles of equality.'

'চৰকাৰে সামাজিকভাৱে বঞ্চিত আৰু পিছপৰা সম্প্ৰদায়ৰ বাবে শিক্ষাৰ সুযোগ সৃষ্টি কৰিবলৈ শিক্ষানুষ্ঠানসমূহত আসন সংৰক্ষণৰ ব্যৱস্থা কৰিছে, এই ব্যৱস্থাক বহুতে সমতাৰ নীতি ভংগ কৰা বুলি কৈছে'।

Which of the following options would justify this in this case. তলৰ কোনটো বিকল্পই এই ক্ষেত্ৰত মান্যতা প্ৰদান কৰিব।

(a) Absolute equality will be established only if everyone is treated in the same manner
সকলোকে সমভাৱে আচৰণ কৰিলেহে নিৰংকুশ সমতা প্ৰতিষ্ঠা হ'ব।

(b) Equal treatment does not ensure equality unless social inequality is removed.
সামাজিক অসমতা আঁতৰ নকৰালৈকে সম আচৰণে প্ৰকৃত সমতা প্ৰতিষ্ঠা নকৰে।

(c) Reservation system is against the ideals of equality সংৰক্ষণ ব্যৱস্থা সমতাৰ আদৰ্শৰ বিৰোধী।

(d) Normally equality exists in educational institutions therefore, reservation is unnecessary
শিক্ষানুষ্ঠানসমূহত স্বাভাৱিকভাৱেই সমতা পৰিলক্ষিত হয়, সেয়ে সংৰক্ষণ অপ্ৰয়োজনীয়।

8. The founder of Marxism is–

মাৰ্ক্সবাদৰ জনক হ'ল—

(a) Karl Marx কাৰ্লমাৰ্ক্স
(b) John Locke জন লক
(c) Rousseau ৰুছো
(d) J.S. Mill জে.এছ. মিল

9. The idea that Men are superior to women and that is a natural inequality is often used as a justification for unequal treatment of women in educational institutions, workplace or society. Which of the following arguements would you use to challenge the idea.

পুৰুষ মহিলাতকৈ শ্ৰেষ্ঠ, এইটো এটা প্ৰাকৃতিক অসমতা। এই ধাৰণা সততে শিক্ষানুষ্ঠান, কৰ্মস্থলী বা সমাজত মহিলাসকলৰ বাবে অসমান আচৰণৰ যুক্তি হিচাপে লোৱা হয় — এই ধাৰণাক প্ৰত্যাহ্বান জনাবলৈ তলৰ কোনটো যুক্তি ব্যৱহাৰ কৰিবা—

(a) Inequal treatment of women due to biological difference is justified
জৈৱিক পাৰ্থক্যৰ বাবে নাৰীৰ প্ৰতি অসম আচৰণ ন্যায়সংগত।

(b) For maintaining social balance, women should be given less rights than men.
সমাজৰ ভাৰসাম্যতাৰ বাবে নাৰীসকলক পুৰুষৰ তুলনাত কম অধিকাৰ দিব লাগে।

(c) Biological difference can not be an obstacle in achieving equality of rights, dignity and opportunities
জৈৱিক পাৰ্থক্য অধিকাৰ, মৰ্যাদা আৰু সুযোগৰ সমতা লাভ কৰাত প্ৰতিবন্ধক হ'ব নোৱাৰে।

(d) Biological difference also ensures intellectual difference. জৈৱিক পাৰ্থক্যই বৌদ্ধিক পাৰ্থক্যও নিশ্চিত কৰে।

10. According to Rawls– The decisions taken under 'veil of ignorance' will be
ৰল্‌ছৰ মতে 'অজ্ঞতাৰ আৱৰণ'ত লোৱা সিদ্ধান্তসমূহ হ'ব—

(a) Just ন্যায়সংগত (b) Discriminatory বৈষম্যমূলক (c) Unreasonable অযুক্তিকৰ

(d) Helpful in fulfilling self interest আত্মস্বাৰ্থ পূৰণত সহায়ক হয়।

11. Justice received in proportion to efficiency of work is
কামৰ দক্ষতাৰ সমানুপাতিকভাৱে প্ৰাপ্ত ন্যায় হ'ল—

(a) Proportionate Justice সমানুপাতিক ন্যায় (b) Distributive Justice বিতৰণমূলক ন্যায়

(c) Political Justice ৰাজনৈতিক ন্যায় (d) None of the above ওপৰৰ এটাও নহয়

12. Human Rights Day is observed on
মানৱ অধিকাৰ দিৱস পালন কৰা হয়

(a) 10 December ১০ ডিচেম্বৰ (b) 11 December ১১ ডিচেম্বৰ

(c) 12 December ১২ ডিচেম্বৰ (d) 13 December ১৩ ডিচেম্বৰ

13. Which of the following statements is/are correct regarding the relationship between rights and duties
অধিকাৰ আৰু দায়বদ্ধতাৰ সম্পৰ্ক সম্বন্ধে তলৰ কোনবোৰ বাক্য শুদ্ধ

A. Rights and duties are two sides of the same coin অধিকাৰ আৰু দায়বদ্ধতা একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি

B. Without duties, rights are meaningless দায়বদ্ধতা নাথাকিলে অধিকাৰ অৰ্থহীন।

C. One person's rights imply duties of others in society এজনৰ অধিকাৰে সমাজৰ আনবোৰৰ দায়বদ্ধতাক বুজায়।

D. If rights exists, there is no need for duties. অধিকাৰ থাকিলে দায়বদ্ধতাৰ প্ৰয়োজন নাথাকে।

a) Only A and B are correct কেৱল A আৰু B শুদ্ধ (b) Only B and C are correct কেৱল B আৰু C শুদ্ধ

(c) A, B, C are correct A,B,C শুদ্ধ (d) All are correct আটাইকেইটা শুদ্ধ

14. 'Citizenship' in political theory implies–
ৰাজনৈতিক তত্ত্বত নাগৰিকত্বই বুজায়

(a) Full and equal membership of a Political Community এটা ৰাজনৈতিক সম্প্ৰদায়ৰ সম্পূৰ্ণ আৰু সমান সদস্যতা

(b) Permanent resident of a country এখন দেশৰ স্থায়ী বাসিন্দা।

(c) Temporary or permanent resident of a country এখন দেশৰ অস্থায়ী বা স্থায়ী বাসিন্দা

(d) Resident by birth জন্মসূত্ৰে বসবাস কৰা।

15. The book written by T.H. Marshall is–
টি এইচ মাৰ্চালে ৰচনা কৰা গ্ৰন্থখন হৈছে—

(a) Citizenship and Social Class নাগৰিকত্ব আৰু শ্ৰেণী সমাজ (b) On Liberty অন লিবাৰ্টী

(c) The Discovery of India দি ডিস্ক'ভাৰী অৱ ইণ্ডিয়া (d) Freedom from fear ফ্ৰীডম ফ্ৰম ফিয়েৰ

16. If the father of a child born in a foreign country is Indian, then the child acquires Indian citizenship by–
বিদেশত জন্ম গ্ৰহণ কৰা এটি শিশুৰ যদি পিতৃ ভাৰতীয় নাগৰিক হয়, তেন্তে শিশুটোৰে ভাৰতীয় নাগৰিকত্ব লাভ কৰে—

(a) Birth জন্মসূত্ৰে (b) Descent বংশসূত্ৰে

(c) Registration পঞ্জীয়নৰ দ্বাৰা (d) Naturalisation দেশীয়কৰণৰ দ্বাৰা

17. Which of the following is not a way to acquire Indian citizenship.
তলৰ কোনটো ভাৰতীয় নাগৰিকত্ব লাভ কৰাৰ উপায় নহয়

(a) By birth জন্মসূত্রে
(b) By descent বংশানুক্রমে
(c) Naturalization দেশীয়কৰণ
(d) Issuing Aadhaar Card আধাৰকাৰ্ড প্ৰদান

18. Which of the following is/are factors of nationalism
তলৰ কোনবোৰ জাতীয়তাবাদৰ উপাদান
(a) Common belief উমৈহতীয়া বিশ্বাস
(b) Common History উমৈহতীয়া ইতিহাস
(c) Common language and culture উমৈহতীয়া ভাষা আৰু সংস্কৃতি
(d) All of the above ওপৰৰ সকলো

19. According to Political theory, what is the term given to a movement that begins in a state under colonial power to achieve independent political existence?
ঔপনিবেশিক শাসনৰ অধীনত থকা এখন প্ৰদেশে সুকীয়া ৰাজনৈতিক অস্তিত্বৰ বাবে সংগ্ৰাম আৰম্ভ কৰিলে ৰাজনৈতিক তত্ত্ব অনুসৰি এই সংগ্ৰামক কি আখ্যা দিয়া হ'ব—
(a) Secessionism বিচ্ছিন্নতাবাদ
(b) Struggle for national self determination জাতীয় আত্মনিয়ন্ত্ৰণৰ সংগ্ৰাম
(c) Narrow nationalism সংকীৰ্ণ জাতীয়তাবাদ
(d) Struggle for integrity অখণ্ডতাৰ সংগ্ৰাম

20. The term 'Secular' added to the preamble of the constitution of India in –
ভাৰতৰ সংবিধানৰ প্ৰস্তাৱনাত 'ধৰ্মনিৰপেক্ষ' শব্দটো যোগ দিয়া হয়—
(a) 1950 ১৯৫০ চনত
(b) 1976 ১৯৭৬ চনত
(c) 1978 ১৯৭৮ চনত
(d) 1989 ১৯৮৯ চনত

21. The first meeting of the constituent Assembly held in
সংবিধান সভাৰ প্ৰথমখন বৈঠক অনুষ্ঠিত হৈছিল
(a) 26 December, 1945 ২৬ ডিচেম্বৰ, ১৯৪৫
(b) 26 November, 1946 ২৬ নৱেম্বৰ, ১৯৪৬
(c) 9 December, 1946 ৯ ডিচেম্বৰ, ১৯৪৬
(d) 26 January, 1947 ২৬ জানুৱাৰী, ১৯৪৭

22. In a democratic country which of the following options best explains the functions of Constitution
গণতান্ত্ৰিক দেশ এখনত সংবিধানৰ কাৰ্য সম্পৰ্কে তলৰ কোনটো বিকল্পই ভালদৰে ব্যাখ্যা কৰিব—
(a) Limitation on the powers of government চৰকাৰৰ ক্ষমতাৰ ওপৰত সীমাবদ্ধতা
(b) Representation of the majority group সংখ্যাগৰিষ্ঠ গোটৰ প্ৰতিনিধিত্ব
(c) To assure dominance of Political parties ৰাজনৈতিক দলৰ আধিপত্য নিশ্চিত কৰা
(d) Provide absolute authority to government চৰকাৰক চৰম কৰ্তৃত্বৰ অধিকাৰী কৰা।

23. Government has restricted public protest due to law and order situation and citizens have alleged that this action is an interference in fundamental rights
চৰকাৰে আইন শৃংখলাজনিত পৰিস্থিতিৰ বাবে গণ আন্দোলন সীমিত কৰিছে, এই কাৰ্যক নাগৰিকসকলে মৌলিক অধিকাৰৰ ওপৰত হস্তক্ষেপ বুলি অভিযোগ আনিছে।
Which of the following options justifies government action তলৰ কোনটো বিকল্পই চৰকাৰৰ কাৰ্যক ন্যায্যতা প্ৰদান কৰিব—
(a) Fundamental Rights are justiciable মৌলিক অধিকাৰ বাদযোগ্য
(b) Fundamental rights can be violated by the government মৌলিক অধিকাৰসমূহ চৰকাৰে উলংঘা কৰিব পাৰে
(c) The state can impose reasonable restrictions on fundamental rights
মৌলিক অধিকাৰৰ উপভোগত ৰাষ্ট্ৰই যুক্তিসংগত বাধা আৰোপ কৰিব পাৰে
(d) Laws enacted by the government are above fundamental rights চৰকাৰে প্ৰণয়ন কৰা আইন মৌলিক অধিকাৰৰ উৰ্ধ্বত।

24. Which of the following fundamental rights was abolished by the 44th constitutional amendment

তলত উল্লেখিত কোনটো মৌলিক অধিকাৰ ৪৪ নং সংবিধান সংশোধনৰ দ্বাৰা বাতিল কৰা হয়

(a) Right to equality সমতাৰ অধিকাৰ (b) Right to freedom স্বাধীনতাৰ অধিকাৰ

(c) Right against exploitation শোষণৰ বিৰুদ্ধে অধিকাৰ (d) Right to Property সম্পত্তিৰ অধিকাৰ

25. Universal Adult franchise means

সাৰ্বজনীন প্ৰাপ্তবয়স্ক ভোটাধিকাৰৰ অৰ্থ হ'ল—

(a) Every person aged 18 years or above has the right to vote ১৮ বছৰ বা উৰ্ধ্বৰ প্ৰতিজনৰে ভোটদানৰ অধিকাৰ

(b) All men aged above 18 years have the right to vote ১৮ বছৰৰ উৰ্ধ্বৰ সকলো পুৰুষৰ ভোটদানৰ অধিকাৰ

(c) All government officials aged above 18 years have the right to vote
১৮ বছৰৰ উৰ্ধ্বৰ সকলো চৰকাৰী বিষয়া-আমোলাৰ ভোটদানৰ অধিকাৰ

(d) All educated persons have the right to vote. সকলো শিক্ষিত লোকৰ ভোটদানৰ অধিকাৰ

26. The head of the state of India elected by ভাৰতৰ ৰাষ্ট্ৰৰ মুৰব্বীগৰাকীক নিৰ্বাচন কৰা হয়

(a) The people aged 18 or above ১৮ বছৰ বা তাৰ উৰ্ধ্বৰ জনসাধাৰণৰ দ্বাৰা

(b) Elected MLAs and MPs নিৰ্বাচিত বিধায়ক আৰু সাংসদৰ দ্বাৰা

(c) Only elected MPs কেৱল নিৰ্বাচিত সাংসদৰ দ্বাৰা (d) Judiciary ন্যায়পালিকাৰ দ্বাৰা

27. How many members are nominated by the president to Rajya Sabha?

ৰাষ্ট্ৰপতিয়ে কিমানজন সদস্য ৰাজ্যসভালৈ মনোনীত কৰে ?

(a) 12 ১২জন (b) 13 ১৩ জন (c) 14 ১৪ জন (d) 15 ১৫ জন

28. Which of the following is a function of Parliament তলৰ কোনটো সংসদৰ এটি কাৰ্য

(a) Interpretation of the constitution সংবিধানৰ ব্যাখ্যা (b) Law making আইন প্ৰণয়ন

(c) Implementation of laws আইনৰ কাৰ্যকৰীকৰণ (d) Judicial review ন্যায়িক সমীক্ষা

29. Even though Rajya Sabha proposed amendments to a taxation related bill, Lok Sabha did not accept them and passed the bill, send it for presidents assent

কৰ আৰোপ সম্পৰ্কীয় এখন বিধেয়ক ৰাজ্যসভাই সংশোধনী প্ৰস্তাৱ আগবঢ়োৱা সত্বেও লোকসভাই তাক গ্ৰহণ নকৰি সেইখন গৃহীত কৰে আৰু ৰাষ্ট্ৰপতিৰ সন্মতিৰ বাবে প্ৰেৰণ কৰে।

In such situation which of the following reasons is correct এনে পৰিস্থিতিত তলৰ কোনটো যুক্তি শুদ্ধ

(a) Rajya Sabha has less power in case of ordinary bill সাধাৰণ বিধেয়কৰ ক্ষেত্ৰত ৰাজ্যসভা কম ক্ষমতাসম্পন্ন

(b) Since the bill is money bill, Lok Sabha has exclusive powers

বিধেয়কখন বিত্ত বিষয়ক হোৱা বাবে লোকসভাৰ একচেটিয়া ক্ষমতা আছে।

(c) Only Lok Sabha can amend a bill introduced in Lok Sabha লোকসভা উত্থাপিত বিধেয়ক কেৱল লোকসভাইহে সংশোধন কৰিব।

(d) Rajya Sabha has no power to amend a bill বিধেয়ক সংশোধনৰ ক্ষমতা ৰাজ্যসভাৰ নাই।

30. The joint sitting of parliament is presided over সংসদৰ যুটীয়া অধিৱেশনত সভাপতিত্ব কৰে

(a) By the speaker of Lok Sabha লোকসভাৰ অধ্যক্ষই

(b) By the ex-officio chairman of Rajya Sabha ৰাজ্যসভাৰ পদেন সভাপতিয়ে

(c) By Prime Minister প্ৰধানমন্ত্ৰীয়ে (d) By the President ৰাষ্ট্ৰপতিয়ে

31. A government bill introduced by a minister in Lok Sabha is rejected. What is the proper constitutional meaning of this

event. এজন মন্ত্ৰীয়ে লোকসভাত উত্থাপন কৰা এখন চৰকাৰী বিল বাতিল হয়, এই ঘটনাৰ উপযুক্ত সাংবিধানিক অৰ্থ কি ?

(a) The bill is to be sent to Rajya Sabha বিধেয়কখন ৰাজ্যসভালৈ পঠিয়াব লাগিব

(b) The bill will be reconsidered in Lok Sabha বিধেয়কখন লোকসভাতে পুনৰ বিবেচনা হ'ব।

(c) Council of Ministers' possible loss of majority support in Lok Sabha
মন্ত্ৰী পৰিষদে লোকসভাত সংখ্যাগৰিষ্ঠৰ সমৰ্থন হেৰুওৱাৰ সম্ভাৱনা

(d) The Prime Minister will announce the dissolution of Lok Sabha প্ৰধানমন্ত্ৰীয়ে লোকসভা ভংগ ঘোষণা কৰিব।

32. India's highest appellate court is – ভাৰতৰ সৰ্বোচ্চ আপীল আদালত হ'ল—

(a) Lower Court নিম্ন আদালত
(b) District Court জিলা আদালত
(c) High Court উচ্চ ন্যায়ালয়
(d) Supreme Court উচ্চতম ন্যায়ালয়

33. Who issues writs for the protection of Fundamental rights?
মৌলিক অধিকাৰ সুৰক্ষাৰ বাবে কোনে লেখ জাৰি কৰে ?

(a) Only Supreme Court কেৱল উচ্চতম ন্যায়ালয়ে
(b) Parliament সংসদে
(c) High Courts and Supreme Court উচ্চ ন্যায়ালয় আৰু উচ্চতম ন্যায়ালয়ে
(d) President ৰাষ্ট্ৰপতিয়ে

34. Complaints have been received about prisoners of a state being treated in an inhuman manner and a journalist wants to take the matter to the court. Which of the following arguments would be appropriate
ৰাজ্য এখনৰ কাৰাবন্দীসকলক অমানৱীয় আচৰণ কৰা বুলি অভিযোগ অহাত বিষয়টি এজন সাংবাদিকে আদালতলৈ লৈ যাব বিচাৰিছে। এনে পৰিস্থিতিত তলৰ কোনটো যুক্তি সঠিক হ'ব ?

(a) Any citizen can file Public Interest Litigation (PIL) in public interest
যিকোনো নাগৰিকে জনস্বাৰ্থত ৰাজহুৱা স্বাৰ্থজড়িত আৱেদন দিব পাৰে।

(b) The prisoner themselves must file the case in court বন্দীসকলে নিজে আদালতত গোচৰ তৰিব লাগিব।

(c) The Government will inform the matter to the court. চৰকাৰে বিষয়টি আদালতত জনাব।

(d) Journalist will make a verbal complaint to the police. সাংবাদিকজনে আৰক্ষীক মৌখিকভাৱে অভিযোগ দিব।

35. Which of the following amendments is related to granting constitutional status to Panchayatiraj institutions?
তলৰ কোনটো সংশোধনী পঞ্চায়তীৰাজ অনুষ্ঠানসমূহক সাংবিধানিক মৰ্যাদা প্ৰদানৰ লগত জড়িত ?

(a) $42^{nd}$ Amendment ৪২ তম সংশোধনী
(b) $44^{th}$ Amendment ৪৪ তম সংশোধনী
(c) $73^{rd}$ Amendment ৭৩ তম সংশোধনী
(d) $74^{th}$ Amendment ৭৪ তম সংশোধনী

36. How many fundamental duties are enumerated in the constitution currently.
বৰ্তমান সংবিধানত কেইটা মৌলিক কৰ্তব্য সন্নিবিষ্ট আছে?

(a) 6 ৬ টা
(b) 10 ১০ টা
(c) 11 ১১ টা
(d) 12 ১২ টা

37. During voting on a bill introduced in Lok Sabha, 300 members were present and 170 voted in favour of the bill. The bill was declared passed. In this case, by what type of majority the bill got passed?
লোকসভাত উত্থাপিত বিল এখনৰ ভোটদানৰ সময়ত ৩০০ জন সদস্য উপস্থিত থাকে আৰু ১৭০ জনে বিলৰ সপক্ষে ভোটি দিয়ে। বিলখন গৃহীত হোৱা বুলি ঘোষণা কৰা হ'ল। এই ক্ষেত্ৰত বিলখন কেনে সংখ্যাগৰিষ্ঠতাৰে গৃহীত হৈছে?

(a) Simple majority সাধাৰণ সংখ্যাগৰিষ্ঠতা
(b) Special majority বিশেষ সংখ্যাগৰিষ্ঠতা
(c) Absolute majority একক সংখ্যাগৰিষ্ঠতা
(d) None of the above ওপৰৰ এটাও নহয়।

38. What feature has established the constitution as living document?

কোনটো বৈশিষ্ট্যই সংবিধানক জীৱন্ত দলিল হিচাপে প্ৰতিষ্ঠা কৰিছে?

(a) Amendability সংশোধনযোগ্যতা

(b) Inclusion of fundamental rights মৌলিক অধিকাৰৰ অন্তৰ্ভুক্তি

(c) Federal system যুক্তৰাষ্ট্ৰীয় ব্যৱস্থা

(d) Independence of Judiciary স্বতন্ত্ৰ ন্যায়পালিকা

39. The election of Panchayatiraj institution is conducted by

পঞ্চায়তীৰাজ অনুষ্ঠানৰ নিৰ্বাচন অনুষ্ঠিত কৰে

(a) Election Commission of India ভাৰতৰ নিৰ্বাচনী আয়োগ

(b) State Election Commission ৰাজ্যিক নিৰ্বাচনী আয়োগ

(c) Election Commission at district level জিলা পৰ্যায়ৰ নিৰ্বাচনী আয়োগ

(d) Rural Election Commission গ্ৰামীণ নিৰ্বাচনী আয়োগ

40. Sarkaria Commission was formed to

চাৰকাৰিয়া আয়োগ গঠন হৈছিল—

(a) Electoral Reforms নিৰ্বাচনী সংস্কাৰৰ বাবে

(b) Study the relation between Centre and States কেন্দ্ৰ-ৰাজ্য সম্পৰ্কৰ পৰ্যালোচনাৰ বাবে

(c) Judicial Review ন্যায়িক সমীক্ষাৰ বাবে

(d) Protection of Fundamental Rights মৌলিক অধিকাৰ ৰক্ষণাবেক্ষণৰ বাবে

## Part - B

41. Answer any five of the following questions. 2x5=10

তলত দিয়া প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখা।

a) Define self regarding and other regarding actions.

নিজ সম্বন্ধীয় আৰু আন সম্বন্ধীয় কাৰ্যৰ সংজ্ঞা দিয়া।

b) Write two ways to promote equality in society.

সমাজত সমতাৰ কিদৰে উৎকৰ্ষ সাধন কৰিব পাৰি দুটা উপায় লিখা।

c) Give two reasons why we need rights.

অধিকাৰ আমাক কিয় প্ৰয়োজন হয় দুটা যুক্তি দিয়া।

d) In the world of duties only, rights hold importance. Analyse this in 30-40 words.

কৰ্তব্যৰ পৃথিৱীতহে অধিকাৰৰ গুৰুত্ব থাকে। ৩০-৪০ টা শব্দৰ ভিতৰত বিশ্লেষণ কৰা।

e) Determine two differences between western model and Indian model of secularism.

পাশ্চাত্য ধৰ্মনিৰপেক্ষতাৰ সৈতে ভাৰতৰ ধৰ্মনিৰপেক্ষতা ধাৰণাৰ দুটা পাৰ্থক্য বিচাৰ কৰা।

f) Write two objective resolution introduced by Jawaharlal Nehru in constituent Assembly.

জৱাহৰলাল নেহৰুৱে সংবিধান সভাত উত্থাপন কৰা দুটা উদ্দেশ্য প্ৰস্তাৱ লিখা।

g) The main condition for the success of democracy is free and fair elections – give two arguments in support of this statement.

গণতন্ত্ৰৰ সফলতাৰ বাবে প্ৰধান চৰ্ত হৈছে মুক্ত আৰু নিকা নিৰ্বাচন — উক্তিটোৰ সমৰ্থনত দুটা যুক্তি দিয়া।

h) Write two discretionary powers of the president.

ৰাষ্ট্ৰপতিৰ দুটা স্বেচ্ছাধীন ক্ষমতা লিখা।

i) Write two states that have a bicameral legislature.
দ্বিসদনীয় বিধানমণ্ডল থকা দুখন ৰাজ্যৰ নাম লিখা।

j) Write the procedures of amendment of the Indian constitution.
ভাৰতীয় সংবিধানৰ সংশোধন পদ্ধতিকেইটা লিখা।

42. Answer any five of the following questions.(within 70 words) 3 x 5=15
তলত দিয়া প্ৰশ্নবোৰৰ যিকোনো পাঁচটাৰ উত্তৰ লিখা। (৭০টা শব্দৰ ভিতৰত)

a) If students are told that the study of political theory is unnecessary and has no practical application in real life, how would you express your opinion against this view?
ছাত্ৰ-ছাত্ৰীসকলক যদি কোৱা হয় যে ৰাজনৈতিক তত্ত্বৰ অধ্যয়ন অপ্ৰয়োজনীয়, বাস্তৱ ক্ষেত্ৰত ইয়াৰ কোনো প্ৰয়োগ নাই— তুমি ইয়াৰ বিপক্ষে কিদৰে মতামত দিবা লিখা।

b) Discuss the theory of equality from feminist perspective.
নাৰীবাদৰ দৃষ্টিৰে সমতাৰ তত্ত্ব আলোচনা কৰা।

c) Critically analyse John Rawls theory of justice.
জন ৰলছৰ ন্যায়ৰ তত্ত্বৰ বিষয়ে সমালোচনাত্মক বিশ্লেষণ আগবঢ়োৱা।

d) Evaluate the role of rights in achieving full and equal membership status (citizenship) of a state, give reference to Racial discrimination in Africa.
ৰাষ্ট্ৰ এখনৰ সম্পূৰ্ণ আৰু সমান সদস্য পদৰ মৰ্যাদা (নাগৰিকত্ব)ত অধিকাৰৰ কেনে ভূমিকা আছে মূল্যায়ন কৰা, আফ্ৰিকাৰ বৰ্ণবৈষম্যবাদৰ প্ৰসংগ দিবা।

e) Discuss three elements of nationalism.
জাতীয়তাবাদৰ তিনিটা উপাদান আলোচনা কৰা।

f) Are the Directive Principles of State Policy justiciable? How these principles help in establishing a welfare state?
ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশাত্মক নীতিসমূহ বাদযোগ্য হয়নে? এই নীতিসমূহে কিদৰে কল্যাণকামী ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিছে?

g) Discuss any three jurisdictions of the supreme court.
উচ্চতম ন্যায়ালয়ৰ যিকোনো তিনিটা অধিকাৰ ক্ষেত্ৰ আলোচনা কৰা।

h) Write any three activities undertaken by the local government (Panchayat/Municipality) in your area to meet the needs of the people.
তোমাৰ অঞ্চলৰ স্থানীয় চৰকাৰে (পঞ্চায়ত /নগৰপালিকা) অঞ্চলবাসীৰ প্ৰয়োজন পূৰণ কৰিবলৈ হাতত লোৱা যিকোনো তিনিটা কাৰ্যকলাপ লিখা।

i) Why does the Indian constitution provide for a bicameral legislature? Give three reasons.
ভাৰতৰ সংবিধানে কিয় দুখন সদনৰ ব্যৱস্থা কৰিছে? তিনিটা যুক্তি আগবঢ়োৱা।

j) In Article 1 of the Indian Constitution instead of the word 'Federation', the term 'union of states' is used. Identify the factors that prevent India from being a fully federal state.
ভাৰতৰ সংবিধানৰ ১নং অনুচ্ছেদত যুক্তৰাষ্ট্ৰ শব্দটোৰ পৰিৱৰ্তে 'ৰাজ্যসমূহৰ সংঘ' বুলি উল্লেখ আছে। কোনবোৰ কাৰকে ভাৰতক সম্পূৰ্ণৰূপে যুক্তৰাষ্ট্ৰ হোৱাত বাধা দিছে চিনাক্ত কৰা।

43. Answer any three of the following questions (within 150 words) 5 x 3=15
নিম্নলিখিত প্ৰশ্নবোৰৰ যিকোনো তিনিটাৰ উত্তৰ দিয়া (১৫০ টা শব্দৰ ভিতৰত)

a) Compare negative and positive liberty.

নেতিবাচক আৰু ইতিবাচক স্বতন্ত্ৰতাৰ তুলনা কৰা।

b) Analyse the debate between the free market system and state intervention.

মুক্ত বজাৰ ব্যৱস্থা আৰু ৰাষ্ট্ৰৰ হস্তক্ষেপৰ মাজৰ বিতৰ্কবোৰ বিশ্লেষণ কৰা।

c) It is often seen that problems such as terrorism, pandemics and climate change cross national boundaries and affect the entire world. In such a situation evaluate how relevant the idea of global citizenship.

দেখা যায় যে সন্ত্ৰাসবাদ, মহামাৰী, জলবায়ু পৰিৱৰ্তন আদি সমস্যাই ৰাষ্ট্ৰৰ সীমা অতিক্ৰম কৰি সমগ্ৰ বিশ্বতে প্ৰভাৱ পেলায়। এনে পৰিস্থিতিত বিশ্ব নাগৰিকত্বৰ ধাৰণা কিমান প্ৰাসংগিক বিচাৰ কৰা।

d) Are fundamental rights Absolute? If not discuss the kinds of limitations imposed on them.

মৌলিক অধিকাৰসমূহ সীমাহীন নে? যদি নহয় তেনেহ'লে ইয়াৰ ওপৰত কেনেধৰণৰ সীমাবদ্ধতা আছে আলোচনা কৰা।

e) An ordinary bill is introduced in the Lok Sabha and passed after discussion. After receiving the approval of the Rajya Sabha, the president signs it and it becomes a law.

With the help of the above situation, explain the stages through which an ordinary bill becomes an Act.

এখন সাধাৰণ বিধেয়ক লোকসভাত উত্থাপন কৰা হয় আৰু আলোচনাৰ পিছত গৃহীত হয়। ৰাজ্যসভাৰ অনুমোদন লাভৰ লগে লগে ৰাষ্ট্ৰপতিয়ে স্বাক্ষৰ কৰি ইয়াক আইনত পৰিণত কৰে।

উক্ত পৰিস্থিতিৰ সহায় লৈ এখন সাধাৰণ বিধেয়ক আইনত পৰিণত হোৱাৰ পৰ্যায়বোৰ ব্যাখ্যা কৰা।

f) How is the Prime Minister of India appointed? Analyse the powers of the Prime Minister as the head of the government.

ভাৰতৰ প্ৰধানমন্ত্ৰী কিদৰে নিযুক্ত হয়? চৰকাৰৰ মুৰব্বী হিচাপে প্ৰধানমন্ত্ৰীৰ ক্ষমতাবোৰ বিশ্লেষণ কৰা।

-ooooooo-